GREAT MAN / NOBEL BATA BIJAYE BHARATIYA

# Rabindranath Tagore Biography in Assamese। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ

by babuprinter2018@gmail.com September 23, 2020

Table of Contents


0.1. কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ Rabindranath Tagore Biography in Assamese
0.2. সূচনা
0.3. বংশ পৰিচয়, জন্ম
0.4. শৈশৱ আৰু শিক্ষা
0.5. কাব্য চৰ্চা আৰু সাহিত্যিক অৱদান
0.5.1. সাহিত্যকৰ্ম
0.5.1.1. উপন্যাস
0.5.1.2. নাটক
0.5.1.3. গল্প সংকলন
0.6. নোবেল বটাঁ লাভ
0.7. ৰবীন্দ্ৰ সন্দ্বীত
0.8. অভিনেতা ৰবীন্দ্ৰনাথ
0.9. স্বদেশ প্ৰেমিক ৰবীন্দ্ৰনাথ
0.10. বিশ্ব ভ্ৰমণ
0.11. সংগঠনমূলক কাম
0.12. সামৰণি
0.12.0.1. References

## কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ Rabindranath Tagore Biography in Assamese

প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ সাহিত্যক বিশ্ব সাহিত্যত চিনাকি কৰাই দিয়া মহান ব্যক্তিগৰাকীয়েই হৈছে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ। নিজৰ কাব্য প্ৰতিভাৰে আজিৰ পৰা এশবছৰ পূৰ্বেই বিশ্বৰ সবাতোতকৈ শ্ৰেষ্ঠ সন্মান কঢ়িয়াই

আনিবলৈ সক্ষম হ’ল কলকতাৰ ঠাকুৰ পৰিয়ালৰ চতুৰ্থ সন্তান ৰবীন্দ্ৰনাথে।

যিসময়ত ব্ৰিটিছে ভাৰতবৰ্ষখন শাসন কৰি আছিল, যিসময়ত তেওঁলোকৰ পৰিয়ালে ব্ৰিটিছৰ আজ্ঞামতে কাম কৰি আছিল, সেই সময়তে ব্ৰিটিছৰ বিৰুদ্ধেও তেওঁ মহাত্মা গান্ধীৰ লগত সহমত প্ৰকাশ কৰিছিল।



১৮৭৯ চনত ইংলেণ্ডত অধ্যয়নৰত ৰবীন্দ্ৰনাথ

| | |
|---|---|
| **জন্ম** | ৭ মে ১৮৬১<br>জোড়াসাঁকো ঠাকুরবাড়ি, কলকাতা, ব্রিটিশ ভারত (অধুনা পশ্চিমবঙ্গ, ভারত) |
| **মৃত্যু** | ৭ আগস্ট ১৯৪১ (বয়স ৮০)<br>জোড়াসাঁকো ঠাকুরবাড়ি, কলকাতা, ব্রিটিশ ভারত (অধুনা পশ্চিমবঙ্গ, ভারত) |
| **সমাধিস্থল** | কলকাতা |
| **ছদ্মনাম** | ভানুসিংহ ঠাকুর (ভণিতা) |
| **পেশা** | কবি, ঔপন্যাসিক, নাট্যকার, প্রাবন্ধিক, দার্শনিক, সঙ্গীতজ্ঞ, চিত্রশিল্পী, গল্পকার |
| **ভাষা** | বাংলা, ইংরেজি |
| **জাতীয়তা** | ব্রিটিশ ভারতীয় |
| **নাগরিকত্ব** | ব্রিটিশ ভারতীয় |
| **সময়কাল** | বঙ্গীয় নবজাগরণ |
| **সাহিত্য আন্দোলন** | প্রাসঙ্গিক আধুনিকতা |
| **উল্লেখযোগ্য রচনাবলি** | গীতাঞ্জলি (১৯১০), রবীন্দ্র রচনাবলী, গোরা, আমার সোনার বাংলা, জন গণ মন, ঘরে বাইরে |
| **উল্লেখযোগ্য পুরস্কার** | সাহিত্যে নোবেল পুরস্কার<br>(১৯১৩) |

| | |
|---|---|
| **দাম্পত্যসঙ্গী** | মৃণালিনী দেবী (বি. ১৮৭৩–১৯০২) |
| **আত্মীয়** | ঠাকুর পরিবার |

# সূচনা

কবিতাৰ ঝংকাৰেৰে এদিন বিশ্ববীণাৰ ভঁৰত মুখৰিত হৈ উঠিছিল, ছন্দময় জীৱনৰ গান। সুৰৰ লহৰে লহৰে উচ্ছলিত হৈ উঠিছিল প্ৰাণৰ উচ্ছ্বাস; উচ্ছল অনুভূতিৰ পাৰ ভাঙি ভাঙি বৈ আহিছিল লাস্যময়ী ভাৱ-মন্দাকিনী। সুন্দৰৰ পূজাৰ সেই মধু লগনত এজন শান্ত, সৌম্য, গুৰু-গম্ভীৰ বাণী পূজাৰীয়ে ষোড়শোপচাৰে অৰ্ঘ্য নিবেদন কৰিছিল বাণী মন্দিৰত অন্তৰৰ আৱেগ ঢালি। ভাৰতীয় প্ৰজ্ঞা আৰু মনীষাৰ পৰাকাষ্ঠাৰ প্ৰতিভূ সেইজন আছিল ৰবীন্দ্ৰনাথ ঠাকুৰ যিজনে স্বীয় প্ৰতিভাৰে সমগ্ৰ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ মনীষীসকলৰ মাজত নিজকে “স্বে মহিম্নি” ৰূপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল। বহুমুখী প্ৰতিভাৰ অধিকাৰী এই ঋষিতুল্য পুৰুষজনৰ মৃত্যুঞ্জয়ী গৌৰৱ গাথা আজি বিশ্ব বিনন্দিত।

Rabindranath Tagore Biography in Assamese

# বংশ পৰিচয়, জন্ম


কলিকতাৰ জোৰাসাঁকো ঠাকুৰ পৰিয়াল এটা মহিমামণ্ডিত নাম। উনবিংশ শতিকাৰ সাহিত্য ৰচনা বিচিত্ৰা আৰু সংস্কৃতিৰ পীঠস্থান জোৰাসাঁকো। কাব্য কবিতা, শিল্প-সংস্কৃতিৰ চৰ্চাৰপৰা আৰম্ভ কৰি জাতীয় জাগৃতিৰ উদ্বোধনলৈকে ঠাকুৰ পৰিয়ালৰ অৱদানৰ ইতিহাস ভাৰতীয় সামাজিক  জগতৰ বুৰঞ্জীত চিৰদিন গৌৰৱোজ্জ্বল হৈ ৰ'ব। বিশেষকৈ মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ ঔপনিষদিক সাধনা, প্ৰাচ্য-পাশ্চাত্য সংস্কৃতিৰ অভূতপূৰ্ব সমন্বয় আৰু স্বদেশপ্ৰেমৰ নৱোন্মেষে ঠাকুৰ পৰিয়ালত সৃষ্টি কৰিছিল মহামিলনৰ এক মহান তীৰ্থ। সেই মহান তীৰ্থভূমিত মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে ১৮৬১ চনৰ ৬ মে' তাৰিখে লাভ কৰিছিল এটি দেৱ শিশু যাৰ হাঁহিত উদ্ভাসিত হৈ উঠিছিল অনিৰ্বচনীয় গৰিমাৰ জ্যোতি। সেই শিশুটিয়েই আছিল ৰবীন্দ্ৰনাথ।

# শৈশৱ আৰু শিক্ষা

শৈশৱতে মাতৃহাৰা হোৱা ৰবীন্দ্ৰনাথে পিতৃৰ অসীম স্নেহ আৰু ভ্ৰাতৃসকলৰ আদৰ-আপ্যায়নৰ মাজত বৰ্ধিত হৈ মাতৃৰ অভাৱ বৰকৈ অনুভৱ কৰিব নোৱাৰিলেও মাতৃহাৰা শিশুৰ সকলোখিনি শৈশৱ আৰু শিক্ষা কাৰুণ্যই তেওঁৰ জীৱনলৈ আহিছিল। পৰিয়ালৰ উন্নত শিক্ষা-দীক্ষা, পৰিমাৰ্জিত সাংস্কৃতিক চেতনা আৰু দেবেন্দ্ৰনাথ ঠাকুৰৰ গভীৰ ধৰ্ম বিশ্বাসে ৰবীন্দ্ৰনাথক প্ৰৱলভাৱে প্ৰভাৱান্বিত কৰিছিল। তদুপৰি পিতৃৰ লগত নানা ঠাই ভ্ৰমণ কৰি ফুৰি প্ৰকৃতি আৰু ইয়াৰ সৌন্দৰ্যৰ প্ৰতি প্ৰৱলভাৱে আকৃষ্ট হোৱা ৰবীন্দ্ৰনাথৰ জীৱনত গভীৰভাৱে পৰিছিল প্ৰেম, প্ৰকৃতি, সৌন্দৰ্য আৰু স্বদেশ প্ৰেমৰ মহান অনুভূতিৰ জ্যোতিৰ্ময় প্ৰভাৱ।

তেওঁ প্ৰথমে অৰিয়েণ্টেল ছেমিনাৰীত আৰু তাৰ পাছত নৰ্মাল স্কুল, বেংগল একাডেমী আৰু ছেণ্ট জেভিয়াৰ্চ স্কুলত শিক্ষা লাভ কৰে। কিন্তু বিদ্যালয়-জীৱনৰ সীমাবদ্ধতা আৰু নিৰ্দিষ্ট ধৰা বন্ধা পাঠ্যক্ৰমৰ ঠেক গণ্ডীৰ মাজত তেওঁৰ মুক্ত মন আৰু মুক্ত চিন্তাই স্বাধীনতা হেৰুওৱা পিঞ্জৰাবদ্ধ পখীৰ অসহায় বেদনা অনুভৱ কৰিব ধৰিলে। গতিকে দেউতাকে গৃহ-শিক্ষকৰ যোগেদিয়েই তেওঁক নানা বিষয়ৰ শিক্ষা দিয়ায়। তেওঁ পিতৃৰপৰাই সংস্কৃত আৰু ভাৰতীয় দৰ্শন সাহিত্যৰ আৰু মধ্যম ভ্ৰাতৃ সত্যেন্দ্ৰনাথৰপৰা ইংৰাজী সাহিত্যৰ বিশাল ভাণ্ডাৰৰ দি দৰ্শন লাভ কৰে।

সোতৰ বছৰ বয়সত ৰবীন্দ্ৰনাথে অধ্যয়নৰ কাৰণে বিলাতলৈ যায়। বিলাতত থকা কালত পাশ্চত্য জীৱন, সাহিত্য-সংস্কৃতিৰ লগত তেওঁৰ নিবিড় পৰিচয় ঘটে। তদুপৰি পাশ্চাত্য সংগীতৰ সুৰৰ ঝংকাৰে তেওঁৰ প্ৰাণ বীণৰ তাঁৰত তোলে বিপুল মূচ্ছনা।



১৮৮৩ চনত পত্নী মৃণালিনী দেৱীৰ সৈতে ৰবীন্দ্ৰনাথ

# কাব্য চৰ্চা আৰু সাহিত্যিক অৱদান

ৰবীন্দ্ৰনাথে ন বছৰ বয়সৰপৰাই নিৰৱচ্ছিন্নভাৱে কাব্য চৰ্চা কৰিবলৈ ধৰে। তেৰ বছৰ বয়সতে তেওঁৰ প্ৰথম কবিতা “তত্ত্ব বোধিনী”–কাকতত প্ৰকাশিত হয়। তাৰ পাছৰেপৰা “ভাৰতী”;“সাধনা”— আদি কাকততো নিত্য নতুন কবিতা প্ৰকাশিত হ’বলৈ ধৰে আৰু লগে লগে তেওঁৰ কাব্য চৰ্চা আৰু স্বতঃস্ফূৰ্ত প্ৰতিভাই বিকাশৰ পথত দ্ৰুতগতিৰে আগ বাঢ়ে। ৰবীন্দ্ৰনাথৰ অজস্ৰ সাহিত্যিক অৱদান কাব্যই ছন্দৰ মন্দাকিনী ধাৰা ধৰাৰ বুকুলৈ নমাই আনি অনিন্দ্যসুন্দৰ সুৰৰ ঝংকাৰেৰে ভাৰতীয় কাব্য জগতত হেন্দোলনি তোলে। প্ৰাণৰ আকুল উচ্ছাসেৰে মানুহৰ সুখ-দুখ, হাঁহি-আনন্দ, ব্যথা-বেদনাৰ গভীৰতম অনুভূতিক জীৱন্ত ৰূপত ৰূপায়িত কৰিছে তেওঁৰ বাক্যৰ মাজেদি। বনফুল কাব্যত প্ৰস্ফুটিত হ’বলৈ আৰম্ভ কৰা কবিতা কুসুমৰাজি সন্ধ্যা সংগীত, প্ৰভাত সংগীত, ছবি ও গান, কড়ি ও কোমল, ভানু সিংহ ঠাকুৰেৰ পদাৱলী, মানসী, সোণাৰ তৰী আদি কাব্যত বেদনা-বিধুৰ জীৱনৰ ছন্দ মধুৰ গান পুষ্প হৈ তাৰ সৌৰভেৰে জগৎ বিমোহিত মহুয়া, কৰি তোলে। ৰমক-জমক কাব্য-ফুলনিত আকাশ-প্ৰদীপ, বলাকা, পলাতকা, পূৰৱী, বন বাণী, পৰিশেষ, পুনশ্চ, শেষ সপ্তক, শ্যামলী, নৱজাতক, চানাই, জন্মদিনে, শেষ লেখা আদিৰ সৌৰভ মিশ্ৰিত হৈ সৌন্দৰ্য আৰু সৌৰভৰ অমৃত নিস্যন্দিনী ছন্দধাৰা সীমাহীন দিগন্তৰ কল্পলোকলৈ গতি। কৰিবলৈ ধৰে অনন্ত জ্যোতিৰে জ্যোতিষ্মন হৈ। কবিৰ মানসপটত বাজি উঠা ছন্দৰ সুৰ হৈ চিত্ৰা, চৈতালি, কণিকা, কল্পনা, কথা ও কাহিনী, নৈবেদ্য, খেয়া, গীতাঞ্জলি আৰু গীতালীৰ গীতিমালাৰে মানুহৰ হিয়া মন্দিৰত নিবিড় আনন্দৰ উচ্ছল জোৱাৰৰ সৃষ্টি কৰিলে। বাল্মীকি প্ৰতিভা, শ্যামা, চণ্ডালিকা আদি তেখেতৰ সুকুমাৰ মন-কাননত সৃষ্টি হোৱা অনবদ্য গীতিনৃত্য নাট্য। বাল্মীকি প্ৰতিভা তেখেতৰ প্ৰাচ্য পাশ্চাত্য সঙ্গীত সাধনাৰ শ্ৰেষ্ঠতম ফলশ্ৰুতি।

তেখেতৰ উপন্যাসৰাজিৰ ভিতৰত বৌ-ঠাকুৰাণীৰ হাট, গোৰা, যোগাযোগ, ঘৰে বাইৰে, চতুৰংগ আদি উল্লেখযোগ্য।

ৰক্ত কৰবী, বিসৰ্জন, ৰাজা, মালিনী আদি শ্ৰেষ্ট নাট্য সাহিত্য।

# সাহিত্যকৰ্ম

ৰবীন্দ্ৰনাথৰ সকলোতকৈ প্ৰভাৱশালী সাহিত্য হৈছে তেখেতৰ গান আৰু কবিতাবোৰ। চুটিগল্প, প্ৰবন্ধ, ভ্ৰমণকাহিনী আৰু নাটক ৰচনাতো তেখেত সিদ্ধহস্ত আছিল। গান আৰু কবিতাৰ পিছতে তেখেতৰ আটাইতকৈ প্ৰভাৱশালী ৰচনা

হ'ল চুটিগল্প। তেখেতক বাংলা ভাষাৰ চুটিগল্পৰ প্ৰতিষ্ঠাতা বুলি গণ্য কৰা হয়। তেখেতৰ ৰচনাৰ ছান্দসিক, আশাবাদী আৰু গীতিধৰ্মী ৰূপে সহজেই সকলোকে আকৰ্ষম কৰে। সাধাৰণ বাঙালীৰ জীৱনধাৰা আছিল তেখেতৰ ৰচনাৰ প্ৰধান উপজীৱ্য।

## উপন্যাস

| | | |
|---|---|---|
| গোৰা<br>ঘৰে বাইৰে<br>চতুৰঙ্গ<br>চাৰ অধ্যায়<br>চোখেৰ বালি | দুই বোন<br>শেষেৰ কবিতা<br>নৌকা ডুবি<br>প্ৰজাপতিৰ নিৰ্বন্ধ | বউ ঠাকুৰাণীৰ হাট<br>মালঞ্চ<br>যোগাযোগ<br>ৰাজৰ্ষি |

from wikipedia

## নাটক

ৰবীন্দ্ৰনাথে প্ৰথম প্ৰথম ভাতৃ জ্যোতিৰিন্দ্ৰনাথ ঠাকুৰ অনূদিত মলিয়েৰৰ বুৰ্জোৱা (Le Bourgeois Gentilhomme) নাটৰ প্ৰধান চৰিত্ৰৰ ৰূপায়ণৰ মাজেৰে আত্মপ্ৰকাশ কৰে। ২০ বছৰ বয়ষত তেওঁ প্ৰথম নাটক "বাল্মিকী" ৰচনা কৰে। ইয়াত ডকাইত ৰত্নাকৰে কেনেকৈ নিজৰ জীৱনদৰ্শন সলনি কৰি বাল্মিকী হৈ ৰামায়ণ ৰচনা কৰে তাক প্ৰতীয়মান কৰা হৈছে। ইয়াত তেওঁ বিভিন্ন নাট্যশৈলী আৰু ভাৱৰ প্ৰকাশ ঘটাইছে, যেনে কীৰ্তনৰ ব্যৱহাৰ, মাতাল গানত ঐতিহ্যবাহী বৃটিচ আৰু আইৰিচ লোকসংগীতৰ সূৰৰ সংকলন।

১৮৯০ চনত ৰবীন্দ্ৰনাথে বিসৰ্জন ৰচনা কৰেৰন যাক অনেকে তেওঁৰ ৰচিত সৰ্বশ্ৰেষ্ঠ নাটক বুলি বিবেচনা কৰে।তেওঁৰ পাচৰ ফালৰ নাটকবোৰত ৰূপকে বেচি প্ৰাধান্য পাইছে। এনে এখন উল্লেখযোগ্য নাটক "ডাকঘৰ"। ইয়াত এজন সৰু ল'ৰাই নিজৰ দৈনন্দিন জীৱনৰ পৰা মুক্তি বিচাৰে আৰু অৱশেষত "শুই পৰে" (মৃত্যুৰ ৰূপক/প্ৰতীক)। সাৰ্বজনীন আৱেদনসম্পন্ন "ডাকঘৰ"ৰ গল্পই ইউৰোপত যথেষ্ট সঁহাৰি পাইছিল। ৰবীন্দ্ৰনাথৰ ভাষাত ল'ৰাটোৰ শুই পৰাৰ ৰূপকটোৱে "শুই পৰা" ৰূপকটোৱে "জাগতিক স্তুপীকৃত সম্পদ আৰু প্ৰচলিত বিশ্বাস"ৰ পৰা "আধ্যাত্মিক মুক্তি" সূচাইছে। আন এখন উল্লেখযোগ্য নাট "চন্দালিকা" এটা প্ৰাচীন বৌদ্ধ কিংবদন্তী লৈ গঢ়ি উঠিছে। ইয়াত গৌতম বুদ্ধৰ শিষ্য আনন্দই এগৰাকী আদিবাসী ছোৱালীৰ পৰা পানী খুজি খোৱাৰ কথা বৰ্নোৱা হৈছে। ৰবীন্দ্ৰনাথৰ বিখ্যাত নাটক "ৰক্তকৰবী"ত এজন লোভী ৰজাৰ কথা কোৱা হৈছে। ধনৰ লোভত তেওঁ প্ৰজাসকলক খনিত কাম কৰিবলৈ বাধ্য কৰে। নায়িকা নন্দিনীয়ে প্ৰজাসকলক একগোট কৰে আৰু এই অত্যাচাৰৰ অন্ত ঘটায়। তেওঁৰ অন্যান্য উল্লেখযোগ্য নাটক হৈছে "চিত্ৰাংগদা", "ৰাজা", মায়াৰ খেলা আদি। ৰবীন্দ্ৰনাথৰ নৃত্যপ্ৰধান নাটসমূহক "ৰবীন্দ্ৰ নৃত্যনাট্য" বুলি জনা যায়। তেখেতে ৰচনা কৰা

**নাটকসমূহ হ'ল-**

| | | | | |
|---|---|---|---|---|
| Autumn-Festival | কালেৰ যাত্ৰা | নৃত্যনাট্য মায়াৰ | বিদায়-অভিশাপ | ৰুদ্ৰচণ্ড |
| Chitra | কাহিনী গুৰু | খেলা | বিসৰ্জন বিসৰ্জন | ৰাজা |
| Malini | গৃহপ্ৰবেশ | নবীন | সংক্ষিপ্ত | ৰাজা ও ৰানী |

| | | | | |
|---|---|---|---|---|
| Red Oleanders<br>Sacrifice<br>Sanyasi or the Ascetic<br>The Gardener<br>The King and the Queen The Trial<br>The Waterfall<br>অচলায়তন<br>অৰূপৰতন<br>ঋণশোধ<br>কালমৃগয়া | গোড়ায় গলদ<br>চণ্ডালিকা<br>চিত্রাঙ্গদা<br>চিৰকুমাৰ-সভা<br>ডাকঘৰ<br>তপতী<br>তাসেৰ দেশ<br>নটৰাজ নটীৰ<br>পূজা<br>নৃত্যনাট্য<br>চণ্ডালিকা<br>নৃত্যনাট্য<br>চিত্রাঙ্গদা | নলিনী<br>প্ৰকৃতিৰ প্ৰতিশোধ<br>প্ৰায়শ্চিত্ত<br>পৰিত্ৰাণ<br>পৰিশোধ<br>ফাল্গুনী<br>ব্যঙ্গকৌতুক<br>বসন্ত<br>বাল্মীকিপ্ৰতিভা<br>বাঁশৰি | বৈকুণ্ঠেৰ খাতা<br>ভগ্নহৃদয়<br>মুকুট<br>মুক্তধাৰা<br>মুক্তিৰ উপায়<br>মায়াৰ খেলা<br>মালঞ্চ<br>মালিনী<br>যোগাযোগ<br>ৰক্তকৰবী | শ্যামা<br>শ্ৰাৱণগাথা<br>শাপমোচন<br>শাৰদোৎসব<br>শেষ বৰ্ষণ<br>শেষৰক্ষা<br>শোধবোধ<br>সুন্দৰ<br>হাস্যকৌতুক |

from wikipedia

## গল্প সংকলন

| | | |
|---|---|---|
| English Stories<br>তিনসংগী | গল্পগুচ্ছ<br>গল্প-চল্প | লিপিকা<br>অন্যান্য |

from wikipedia

# নোবেল বটাঁ লাভ

মানৱ জীৱনৰ বিভিন্ন সমস্যা, ঘটনা, পৰিৱেশ আদিক লৈ ৰচিত তেখেতৰ গল্পসমূহ গল্প-গুচ্ছ নামেৰে কেইবা খণ্ডতে প্ৰকাশিত হৈছে। জীৱন-স্মৃতি তেখেতৰ আত্মজীৱনীমূলক গ্ৰন্থ। এই গ্ৰন্থত নোবেল বঁটা লাভ তেখেতৰ জীৱন-দৰ্শন বৰ্ণিত হৈছে। সাহিত্য জগতৰ এনে এটি দিশ নাই, যত ৰবীন্দ্ৰনাথৰ সুনিপুণ হাতৰ পৰশ পৰা নাই। ৰবীন্দ্ৰনাথ দাৰ্শনিক আৰু আধ্যাত্মিক প্ৰতিভাৰ শ্ৰেষ্ঠতম নিদৰ্শন গীতাঞ্জলি। গীতাঞ্জলিৰ ইংৰাজী সংস্কৰণে তেওঁক বিশ্বৰ শ্ৰেষ্ঠ কবি ৰূপে প্ৰতিষ্ঠিত কৰে আৰু তাৰ বাবেই তেওঁ ১৯১৩ চনত সাহিত্যৰ নোবেল বঁটা লাভ কৰে। Rabindranath Tagore Biography in Assamese

# ৰবীন্দ্ৰ সন্দীত

প্ৰাচ্য আৰু পাশ্চত্যৰ সংগীত সাধনাই ৰবীন্দ্ৰনাথক শ্ৰেষ্ঠ সংগীতজ্ঞ ৰূপেও প্ৰতিষ্ঠা কৰে। ৰবীন্দ্ৰ সন্দীত তেওঁৰ স্বৰচিত গীতসমূহত নিজেই সুৰ সংযোজনা কৰি এক অভিনৱ ঐতিহ্যৰ সৃষ্টি কৰে আৰু সেয়ে ৰবীন্দ্ৰসংগীত ৰূপে অভিহিত হয়।

# অভিনেতা ৰবীন্দ্ৰনাথ

আবৃত্তি আৰু অভিনয়তো তেওঁৰ প্ৰতিভা আছিল বিচক্ষণ। স্বৰচিত নাটকত বিশিষ্ট ভূমিকাত অভিনেতা অৱতীৰ্ণ হৈ চমকপ্ৰদ অভিনয়েৰে মঞ্চ জগতত নৱ-আলোড়ন সৃষ্টি কৰিছিল। ৰবীন্দ্ৰনাথ বিশেষকৈ বাল্মীকি প্ৰতিভা' নাটকত নাম ভূমিকাত আৰু 'কাল মৃগয়া' নাটকত অন্ধ মুনিৰ ভাওত অৱতীৰ্ণ হৈৰবীন্দ্ৰনাথে নাট্য-প্ৰতিভাৰ যি দক্ষতা প্ৰদৰ্শন কৰিছিল তাৰ তুলনা পাবলৈ টান।



শান্তিনিকেতনত গান্ধীৰ ভ্ৰমণ। ৰবীন্দ্ৰনাথৰ স'তে মহাত্মা গান্ধী আৰু তেওঁৰ পত্নী কস্তুৰবা গান্ধী, ১৯৪০।

# স্বদেশ প্ৰেমিক ৰবীন্দ্ৰনাথ

ৰবীন্দ্ৰনাথ যে কেৱল কালজয়ী কবি, সাহিত্যিক, নাট্যকাৰ আৰু শিল্পীয়েই আছিল, এনে নহয়, তেওঁ হাড়ে-হিমজুৰে স্বদেশ প্ৰেমিক। ১৯০৫ চনৰ বংগভংগ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা স্বদেশ প্ৰেমিক নাছিল যদিও কবিতা, প্ৰবন্ধ আৰু সংগীতৰ যোগেদিয়ে স্বদেশ প্ৰেমৰ অনুপ্ৰেৰণাৰে ৰবীন্দ্ৰনাথ দেশবাসীক উদ্‌বুদ্ধ কৰি তুলিছিল। অপূৰ্ব কাব্য সাধনাৰে দেশবাসীৰ স্বাধীনতাৰ আকাঙ্ক্ষাকে তেওঁ জীৱন্ত ৰূপ প্ৰদান কৰিছিল। ১৯১৭ চনৰ জালিয়ানৱালাবাগত স্বাধীনতাকামী ভাৰতীয়ৰ বুকুত গুলী বহুৱাই নৃশংস হত্যাকাণ্ডৰ সৃষ্টি কৰি ইংৰাজ চৰকাৰে যি বৰ্বৰ দমননীতি প্ৰদৰ্শন কৰিছিল, তাৰ প্ৰতিবাদত ৰবীন্দ্ৰনাথে "নাইট" উপাধি পৰিত্যাগ কৰি দেশপ্ৰেমিকতাৰ চৰম নিদৰ্শন প্ৰদৰ্শন কৰিছিল। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত "জনগণ মন অধিনায়ক"ৰবীন্দ্ৰনাথৰ দেশ-প্ৰেমৰ আন এক শ্ৰেষ্ঠ নিদৰ্শন। এই গৰাকী সংবেদনশীল কবি অতিশয় সমাজসচেতন আছিল আৰু য'তেই অন্যায়, অবিচাৰ শোষণ আদি দেখিছিল, তাতেই তেওঁ নিৰ্ভীকভাৱে তাৰ বিৰুদ্ধে থিয় দিছিল।

# বিশ্ব ভ্ৰমণ


ৰবীন্দ্ৰনাথ চীন, জাপান, ইন্দোনেছিয়া, ৰাছিয়া, পাৰস্য, ইউৰোপ, আমেৰিকা আদি দেশ ভ্ৰমণ কৰি ভাৰতৰ মৰ্যাদ বৃদ্ধি কৰিছিল। বিশ্বৰ দেশসমূহে তেওঁৰ প্ৰতি প্ৰদৰ্শন কৰা শ্ৰদ্ধাই ভাৰতৰ গৰিমাকে উজ্জ্বল কৰি তোলে।



১৯২৪ খ্ৰীষ্টাব্দত চীংহুৱা বিশ্ববিদ্যালয়ত চৈনিক শিক্ষাবিদসকলৰ সৈতে ঠাকুৰ; সোঁফালৰপৰা মাজত।
from wikipedia

## সংগঠনমূলক কাম

এই গৰাকী বিশ্বৰ শ্ৰেষ্ঠ কবি প্ৰাচীন ভাৰতীয় শিক্ষাদৰ্শনৰ প্ৰতিভূ। মুক্ত আকাশৰ তলত, মুক্ত প্ৰকৃতিৰ উদাৰ পৰিৱেশত, অনুকূল মানসিক প্ৰবৃত্তিৰ বিকাশ সাধনাৰ যোগে লাভ কৰা শিক্ষাই, মানৱ জীৱন সৰ্বাংগসুন্দৰ কৰি গঢ়ি তোলাৰ একমাত্ৰ উপায় বুলি কবিয়ে বিশ্বাস কৰে। বিদ্যালয়ৰ সংগঠনমূলক কাম সীমাবদ্ধতাৰ মাজত বাধ্যতামূলকভাৱে জাপি দিয়া শিক্ষাই শিশুৰ প্ৰবৃত্তিসমূহৰ



১৯৪০ চনত শান্তিনিকেতনত মহাত্মা গান্ধীৰ সৈতে সাক্ষাৎৰত ৰবীন্দ্ৰনাথ।
from wikipedia

পূৰ্ণ বিকাশ সাধন কৰিব নামৰ ঠাইত শান্ত, নিৰ্জন প্ৰাকৃতিক পৰিৱেশত প্ৰতিষ্ঠা কৰে “শান্তিনিকেতন”নামৰ আদৰ্শ বিদ্যালয়। কালক্ৰমত সিয়ে ‘বিশ্বভাৰতী’ নামে খ্যাত বিশ্ববিদ্যালয়ত পৰিণত হয়। তাৰ ওচৰতে দেশীয় কৃষি আৰু

শিল্পৰ উৎকৰ্ষ সাধনৰ কাৰণে “শ্ৰীনিকেতন”নামৰ এটি প্ৰতিষ্ঠান স্থাপন কৰে। এই দুটি অনুষ্ঠান কবি গৰাকীৰ সাধনা, আদৰ্শ আৰু জীৱন দৰ্শনৰ মূৰ্ত প্ৰতীক।বীন্দ্ৰনাথে নোবেল বঁটাৰ এক লাখতকৈও অধিক টকাৰ সমস্তখিনি শান্তি নিকেতনৰ উন্নয়নৰ বাবেই ব্যয় কৰিছিল।

# সামৰণি

সত্য আৰু সুন্দৰৰ সাধক ৰবীন্দ্ৰনাথ আছিল প্ৰকৃতি আৰু মানৱপ্ৰেমী। “সুন্দৰৰ আৰাধনা জীৱনৰ খেল” এয়ে আছিল তেওঁৰ সংগীতৰ মৰ্মবাণী। “সত্যম্ শিবম্ সুন্দৰম”- এয়া আছিল সামৰণি তেওঁৰ দৰ্শনৰ মৰ্মবাণী। চিৰ সুন্দৰৰ অসীম সুন্দৰ প্ৰকৃতিৰ বুকুৰ ৰূপৰস-গন্ধ স্পৰ্শৰ মোহময়ী আকৰ্ষণ, সুখ-দুখ, ব্যথা-বেদনা, বিৰহ-মিলন, দয়া-ক্ষমা, কৰুণা, প্ৰেম-প্ৰীতিৰ মধুৰ বান্ধোন ছিন্ন কৰি, কেঁচা মাটিৰ চিত্তাকৰ্ষী গন্ধৰ টান এৰি থৈ কবিয়ে কোনো দিনেই আঁতিৰি যাব খোজা নাই। সেয়েহে আৱেগত কবিয়ে গাইছে

মৰিতে চাহি না আমি সুন্দৰ ভুবনে,

মানবেৰ মাঝে আমি বাঁচিবাৰে চাই।”

সুন্দৰৰ সাধনাৰ সুবিমল মন্দিৰত কবিয়ে সদায় দেখিছিল বিশ্ব মানৱৰ সেৱাৰ মংগলময় থলী। সবাৰ ওপৰে মনুস্ব, তাহাৰ ওপৰে সত্য নাই।”– এই মৰ্মবাণী কবিয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। সেই বাবে কবিয়ে গভীৰ আৱেগ আৰু অনুভূতিৰে কৈছে

“মানুষেৰ আধিকাৰে বঞ্চিত কৰেছ যাৰে,

সন্মুখে দাঁড়ায়ে ৰেখে তবু কোলে দাও নাই স্থান;

মানুষেৰ পৰশেৰে প্ৰতিদিন ঠেকাইয়া দূৰে

ঘৃণা কৰিয়াছ তুমি মানুষেৰ প্ৰাণেৰ ঠাকুৰে

বিধাতাৰ ৰুদ্ৰৰোষে দুৰ্ভিক্ষেৰ দ্বাৰে বসে।

ভাগ কৰে খেতে হবে সকলেৰ সাথে অন্ন পান

অপমানে হতে হবে তাহাদেৰ সবাৰ সমান।”

এই সুন্দৰৰ সাধক, মানৱপ্ৰেমী, দাৰ্শনিক কবি মহা মনীষীগৰাকী ১৯৪১ চনৰ ৭ আগষ্ট তাৰিখে পৰপাৰলৈ গমন কৰে; কেৱল বংগৰ নহয়, ভাৰতৰ নহয়, বিশ্বৰ এই মনীষীগৰাকীয়ে বিশ্ব-মানৱৰ হৃদয় সুকুমাৰ অনুভূতিৰে উদ্‌বুদ্ধ কৰি মানৱ সমাজক সুন্দৰৰ পৰা সুন্দৰতৰলৈ, খণ্ডতাৰপৰা পূৰ্ণতালৈ, অন্ধকাৰৰপৰা পোহৰলৈ, মৃত্যুৰপৰা অমৃতলোকলৈ, অনিত্যতাৰপৰা চিন্তনলৈ গতি কৰাৰ জ্যোতিৰ্ময় পথ প্ৰদৰ্শন কৰি গৈছে। ৰবীন্দ্ৰ জ্যোতিৰ মাধুৰ্যৰে মাৱন-সমাজ মাধুৰিমাময় হৈ উঠক।

**You also Read**